**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা**
**মুক্ত শৈক্ষিক সমল**

**শ্ৰেণী ঃ অষ্টম      বিষয় ঃ ভাষা-১ (অসমীয়া)    চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ** (Grey Area) - **ব্যৱহাৰিক ব্যাকৰণ (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীসকলে নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ কথিত আৰু লিখিত ৰূপত কৰিব পাৰিব।

⇨ যুৰীয়া শব্দ চিনি পাব আৰু ব্যৱহাৰ কথিত আৰু লিখিত ৰূপত কৰিব পাৰিব।

⇨ শেষৰ ধ্বনি মিল থকা শব্দ লিখিব পাৰিব।

⇨ একে শব্দৰে ভিন ভিন অৰ্থ বুজোৱা শব্দ জানিব আৰু বাক্যত প্ৰয়োগ কৰিব পাৰিব।

⇨ জতুৱা ঠাচৰ উচিত প্ৰয়োগ কৰিব পাৰিব।

⇨ প্ৰশ্নবোধক বাক্য গঠন কৰিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) সুখ | - | পাঠ নং ১২ |
| খ) হোমী জাহাংগীৰ ভাবা | - | পাঠ নং ১৩ |
| গ) সংস্কৃতি আৰু আমাৰ জীৱন | - | পাঠ নং ১৪ |
| ঘ) শিশুলীলা | - | পাঠ নং ১৫ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত 'শিক্ষাৰ অধিকাৰ আইন-২০০৯' অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশুৰ নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱাৰ প্ৰতি আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

এই সাময়িকীৰ পাঠ চাৰিটাত ব্যৱহাৰিক ব্যাকৰণৰ যিবোৰ অৰ্হতা সন্নিবিষ্ট কৰা হৈছে, ভাষা শুদ্ধ আৰু শুৱলাকৈ ক'বৰ বাবে সেই অৰ্হতাবোৰৰ গুৰুত্ব অপৰিসীম। নতুন নতুন শব্দ, কঠিন শব্দ, বাক্যত যুৰীয়া শব্দৰ ব্যৱহাৰ, লিংগ পৰিৱৰ্তন, প্ৰত্যয় আৰু বিভক্তিৰ ব্যৱহাৰ, জতুৱা ঠাঁচৰ ব্যৱহাৰ, কাৰক আৰু বিভক্তিৰ বিষয়ে জানি বিভক্তি অনুসৰি কাৰকৰ নাম লিখিব পৰা, বিপৰীত অৰ্থ প্ৰকাশক শব্দ ব্যৱহাৰ কৰিব পৰা, প্ৰতিশব্দ জনা আৰু ব্যৱহাৰ কৰিব পৰা, খালী ঠাইত উপযুক্ত শব্দ ব্যৱহাৰ কৰিব পৰা, উপসৰ্গ যোগ কৰি শব্দ গঠন কৰিব পৰা, শেষৰ ধ্বনি মিল থকা শব্দ লিখিব পৰা, ব্ৰজাৱলী ভাষাক আধুনিক অসমীয়া ভাষালৈ ৰূপান্তৰ কৰিব পৰা, প্ৰশ্নবোধক বাক্য গঠন কৰিব পৰা, একে শব্দৰ ভিন ভিন অৰ্থ বুজোৱা শব্দ জনা আৰু ব্যৱহাৰ কৰিব পৰা আদি শেষৰ অৰ্হতাসমূহ এই সাময়িকীৰ পাঠত সন্নিবিষ্ট কৰা হৈছে। শৈক্ষিক দিশত মূল্যায়নৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। অষ্টম শ্ৰেণীৰ দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ আৰু 'নাছ'ৰ মূল্যায়ন তথ্য পৰ্যালোচনাত স্পষ্ট হৈছে যে ওপৰত উল্লেখ কৰা কেইটামান ব্যৱহাৰিক ব্যাকৰণৰ অৰ্হতা আয়ত্তকৰণত ছাত্ৰ-ছাত্ৰীৰ যথেষ্ট লিখন ঘাটি আছে। কিন্তু

ভাষা শুদ্ধকৈ লিখিবলৈ আৰু জানিবলৈ হ'লে সেইবোৰ বিষয়ৰ জ্ঞান ভালদৰে আয়ত্ত কৰিব পাৰিব লাগিব। সেয়েহে এই ব্যৱহাৰিক ব্যাকৰণৰ অৰ্হতা আহৰণৰ ক্ষেত্ৰত শিকনঘাটিসমূহ চিনি উলিয়াই ছাত্ৰ-ছাত্ৰীৰ উক্ত দিশৰ বিকাশৰ বাবে বিশেষ যত্ন লোৱা প্ৰয়োজন। ইয়াৰ বাবে যথেষ্ট অনুশীলনৰ আৱশ্যক। পাঠ্যপুথিত উল্লেখ থকা অনুশীলনী বা ক্ৰিয়া-কলাপৰ উপৰি আমি শিক্ষকসকলে নিজে কিছুমান ক্ৰিয়া-কলাপ ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিব পাৰোঁ। ব্যৱহাৰিক ব্যাকৰণৰ অৰ্হতাসমূহ ভালদৰে আয়ত্ত কৰি ব্যৱহাৰ কৰিব পৰাকৈ আমি শিক্ষক হিচাপে কৰিব পৰা শিক্ষণ-শিকন পৰিকল্পনা আৰু ক্ৰিয়া-কলাপেৰে এই সমল সামগ্ৰীটো সজোৱা হৈছে।

**ওপৰত উল্লিখিত শিকন ফলফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

- ⇨ যিকোনো এটা বিষয় সুন্দৰকৈ উপস্থাপন কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীৰ বাক্যৰ গাঁঠনি সম্পৰ্কে দক্ষতাৰ প্ৰয়োজন।
- ⇨ ক'ব লগা কথা বা মনত ভাব এটা দীঘল বাক্যৰ দ্বাৰা প্ৰকাশ নকৰি, কেনেদৰে কম শব্দৰে, ছুটি ছুটি বাক্যৰে সুন্দৰভাৱে প্ৰকাশ কৰিব পাৰি, সেই সম্পৰ্কে শিকাৰুৰ ধাৰণা স্পষ্ট হোৱাটো অত্যন্ত প্ৰয়োজন। তেতিয়াহে শিকাৰুৰ শব্দৰ ভঁৰাল টনকিয়াল হ'ব আৰু কম শব্দত বেছি কথা প্ৰকাশ কৰাৰ কৌশল আয়ত্ত কৰিব পাৰিব। ব্যৱহৃত ভাষাত লালিত্য বৃদ্ধি পাব।
- ⇨ কাৰক, প্ৰত্যয়, বিভক্তি, যুৰীয়া শব্দ, জতুৱা ঠাঁচ, উপসৰ্গ আদি কথন আৰু লিখনত ব্যৱহাৰ কৰি প্ৰকাশভংগী অধিক শক্তিশালী কৰাটো অতি প্ৰয়োজনীয়।
- ⇨ ছাত্ৰ-ছাত্ৰীসকলে যিকোনো পাঠ এটা পঢ়ি বা কোনো বিষয়বস্তু সন্দৰ্ভত প্ৰদান কৰা ভাষণ শুনি, বিষয়বস্তুৰ সন্দৰ্ভত প্ৰশ্ন কৰিব পৰাৰ দক্ষতা আহৰণ কৰাটো অতি প্ৰয়োজনীয়।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

- ⇨ এই গোটটো অধ্যয়ন কৰি শিক্ষক হিচাপে আমি শিকাৰুৰ ভাষা সম্পৰ্কীয় দক্ষতা বিকাশৰ বাবে কিছুমান পদক্ষেপ হাতত ল'ব পাৰিম।
- ⇨ শ্ৰেণীকোঠাত সফলভাৱে ব্যৱহাৰিক ব্যাকৰণ শিকাবলৈ কেনেদৰে পৰিকল্পনা কৰা হয় জানিব পাৰিম।
- ⇨ পাঠ আৰু পাঠ বহিৰ্ভূত সমলৰ অনুশীলনৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ আলোচিত বিষয়সমূহৰ ধূসৰতা আঁতৰি কৰিব পাৰিম।
- ⇨ স্ব-মূল্যায়ন আৰু তুলনামূলক অধ্যয়ন কৰিব পাৰিম; লগতে উদ্ভাৱনীমূলক ক্ৰিয়া-কলাপ অনুশীলনেৰে শ্ৰেণীকোঠা অধিক গতিশীল আৰু মনোগ্ৰাহী কৰি তুলিব পাৰিম।

**ব্যৱহাৰিক ব্যাকৰণৰ বিকাশৰ ব্যৱস্থাৱলী ঃ**

অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে এই সাময়িকীৰ পাঠকেইটাৰ পৰা আহৰণ কৰিবলগীয়া আটাইবোৰ ব্যৱহাৰিক ব্যাকৰণৰ দিশ ইয়াত সামৰি লোৱাটো সম্ভৱপৰ নহয়। সেয়েহে এই সমল গোটটোত উপসৰ্গ আৰু জতুৱা ঠাঁচৰ ব্যৱহাৰৰ বিষয়েহে ব্যৱস্থা গ্ৰহণৰ আলোচনা কৰা হৈছে। ব্যৱহৃত ভাষাত (কথিত আৰু লিখিত) জতুৱা ঠাঁচ আৰু উপসৰ্গ প্ৰয়োগ কৰি, ভাষাৰ প্ৰকাশভংগী শক্তিশালী আৰু প্ৰভাৱশালী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

পাঠত থকা ব্যৱহাৰিক ব্যাকৰণৰ ধাৰণাসমূহ দৈনন্দিন জীৱনৰ ভাষাত ব্যৱহাৰ তথা প্ৰয়োগ (শ্ৰেণীকোঠাৰ বাহিৰে-ভিতৰে) কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিব লাগিব।

এই সমলটোত ছাত্র-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপে উপস্থাপন কৰা হ'ল—

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| (ক) জতুৱা ঠাঁচ কি তাৰ ব্যৱহাৰ জানিব পাৰিব। | ✶ পাঠ্যপুথি<br>✶ জতুৱা ঠাঁচৰ তালিকা (পাঠ্যপুথিত থকা আৰু পাঠ্যপুথি বহিৰ্ভূত)<br>✶ ব্লেকবোৰ্ড<br>✶ পেঞ্চিল, চ'ক | দলীয় ক্ৰিয়া-কলাপ | ক) তলত দিয়া জতুৱা ঠাঁচবোৰ ব্যৱহাৰ কৰি ১০ শাৰীৰ এটা দফা প্ৰস্তুত কৰা।<br>আঠু ল, কাণ-সমনীয়া, কথা দে, কঁকাল পৰা, গাজত লগা।<br>খ) তোমাৰ গাঁৱৰ বা চিনাকি লোকসকলে ব্যৱহাৰ কৰা চাৰিটাকৈ জতুৱা ঠাঁচ লিখি আনিবা।<br>গ) তলৰ জতুৱা ঠাঁচবোৰ ব্যৱহাৰ কৰি অৰ্থসহ দুটাকৈ বাক্য সাজা—<br>নাম থ, বিধিপথালি, চকু চৰহা, পেট-কুলি।<br>ঘ) 'সুখ' নামৰ কবিতাটিত থকা জতুৱা ঠাঁচকেইটা বিচাৰি উলিয়াই তাৰ অৰ্থ লিখা।<br>ঙ) তলত দিয়া কথাবোৰৰ বাবে কি জতুৱা ঠাঁচ ব্যৱহাৰ কৰিব লিখা—<br>অনাহকত ঘূৰি ফুৰা ঃ<br>কথমপি<br>প্ৰখ্যাত হোৱা ঃ<br>পিছ হোহকা ঃ<br>শুৱনি ঃ<br>ভাতে মৰা ঃ<br>আয়ু শেষ হোৱা ঃ<br>পাবলৈ ইচ্ছা কৰা ঃ<br>আশা এৰা ঃ<br>মৰমৰ মানুহৰ মৰণ দেখা ঃ<br>চ) বাক্য ৰচনা কৰা ঃ<br>হাৰত বন গজা ঃ<br>হাত টান ঃ<br>মুখ ফালি ক ঃ<br>মন মাৰ ঃ<br>গা এৰা দে ঃ | অ বি ৰ ত আ ৰু সা ম গ্ৰি ক মূ ল্যা য় ন |

**ক্ষেত্ৰ অধ্যয়ন ঃ**

অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপসৰ্গৰ ধাৰণা স্পষ্ট কৰিবলৈ নলবাৰীৰ এখন বিদ্যালয়ৰ শিক্ষক শ্ৰীযুত উপেন স্বৰ্গীয়াৰীয়ে শ্ৰেণীকোঠাত কি ক্ৰিয়া-কলাপ কৰিছিল চাওঁ আহক—

**প্ৰস্তুতি ঃ**

- ⇨ উপসৰ্গযুক্ত শব্দৰ তালিকা
- ⇨ ৪টা পাঠ্যপুথি বহিৰ্ভূত উপসৰ্গযুক্ত শব্দ থকা দফা
- ⇨ উপসৰ্গবিলাক কি অৰ্থাৎ কেনেদৰে ব্যৱহাৰ কৰা হয় তাৰি তালিকা
- ⇨ উপসৰ্গসমূহৰ উদাহৰণসহ তালিকা

স্বৰ্গীয়াৰী চাৰে তাৰ পাছত চাৰে অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল চাৰিটা ভাগত ভাগ কৰি ললে। নিজে লিখি প্ৰস্তুত কৰি লোৱা উপসৰ্গযুক্ত শব্দৰ ব্যৱহাৰ থকা ৫ বা ৬টা বাক্যৰ দফা লিখা কাৰ্ডবোৰ এখনকৈ ভগাই দিলে আৰু দলত পঢ়ি আলোচনা কৰি বুজি নোপোৱা আৰু নতুনকৈ পোৱা শব্দ বাচি উলিয়াবলৈ দিলে। দলবোৰে বাচি উলিওৱা শব্দবোৰ হ'ল—

প্ৰথম দল— দুৰ্ধৰ্ষ, দুৰ্যোগ, দুৰ্জ্জয়

দ্বিতীয় দল— প্ৰবীণ, প্ৰণালী, প্ৰক্ৰিয়া

তৃতীয় দল— অপচয়, অপব্যয়, অপকাৰ

চতুৰ্থ দল — উপক্ৰম, উপসৰ্গ, উপমা

এই শব্দবোৰ স্বৰ্গীয়াৰী চাৰে কৃষ্ণ ফলকত লিখি শব্দবোৰৰ সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ ক'বলৈ দিলে। ছাত্ৰ-ছাত্ৰীয়ে সাদৃবোৰ নিজেই বৰ সুন্দৰভাৱে উলিয়াই দিলে। যেনে, — প্ৰথম দলৰ শব্দকেইটাৰ প্ৰতিটো শব্দৰে সন্মুখত দু - আৰু তেনেদৰে প্ৰ -, অপ -, আৰু -, উপ -, আছে। স্বৰ্গীয়াৰী চাৰে এই শব্দকেইটাৰ আলমত একে ধৰণৰ সন্মুখত দু -, প্ৰ -, অপ -, আৰু উপ -, থকা আন শব্দ লিখিবলৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাত ছাত্ৰ-ছাত্ৰীসকলে আৰু দুই তিনিটা শব্দ ক'লে। স্বৰ্গীয়াৰী চাৰে সেই শব্দবোৰ কৃষ্ণ ফলকত লিখি দিলে। তেনেদৰে দুই-এজন ছাত্ৰ-ছাত্ৰীয়ে 'অতি' লগ লগাই অতিথি, অতীত, 'পৰি' লগ লগাই পৰিচয়, পৰিপাটি আদি দুই এটা শব্দ নিজে নিজেই কলে।

তাৰ পিছত স্বৰ্গীয়াৰী চাৰে ছাত্ৰ-ছাত্ৰীয়ে তেনেকুৱা শব্দ আৰু কি কি জানে লিখিবলৈ দিলে। দুই এটা উদাহৰণ কৈ দলবোৰৰ সহযোগ কৰিলে। এনেদৰে কৰিবলৈ দিয়াত স্বৰ্গীয়াৰী চাৰে দেখিলে যে প্ৰ - ,পৰা - , নি - , আদি প্ৰায়বোৰ উপসৰ্গ লগ লগা শব্দ ছাত্ৰ-ছাত্ৰীয়ে লিখি উলিয়ালে। তেতিয়া চাৰে সন্মুখত আগতে প্ৰস্তুত কৰি অনা উপসৰ্গযুক্ত শব্দৰ তালিকাখন আঁৰি দিলে। ছাত্ৰ-ছাত্ৰীসকলে লিখি উলিওৱা শব্দবোৰৰ সৈতে ৰিজাই চাবলৈ দিলে। তাৰ পিছত তেওঁ আগতে ছাত্ৰ-ছাত্ৰীসকলে লিখি উলিওৱা আৰু কৃষ্ণ ফলকত স্বৰ্গীয়াৰী ছাৰে লিখি দিয়া শব্দবোৰৰ উপৰি কি কি শব্দ আছে বাচি উলিয়াবলৈ দিলে। তাৰ পাছত শব্দবোৰৰ সন্মুখত কি কি লগ লাগিছে ছাত্ৰ-ছাত্ৰীবোৰৰ সহযোগত স্বৰ্গীয়াৰী ছাৰে উলিয়াই ল'লে। সেইবোৰকে যে উপসৰ্গ বোলে সেই কথা ছাত্ৰ-ছাত্ৰীসকলে নিশ্চিতভাৱে বুজি পালে।

শেষত ২০টা উপসৰ্গৰ উদাহৰণসহ শব্দৰ এখন তালিকা আৰু অৰ্থ থকা উপসৰ্গৰ আন এখন তালিকা সন্মুখত আঁৰি দিলে। ছাত্ৰ-ছাত্ৰীসকলে ২০টা উপসৰ্গ নিজেই গণনা কৰি উলিয়ালে আৰু স্বৰ্গীয়াৰী ছাৰক এইকেইটাৰ উপৰি আন উপসৰ্গ আছেনে শুধিলে। স্বৰ্গীয়াৰী ছাৰে এই উপসৰ্গ আৰু উদাহৰণৰ তালিকাখনৰ সহায়ত অসমীয়া ভাষাত এই ২০টা উপসৰ্গ ব্যৱহাৰ হোৱাটো নিশ্চিত কৰিলে। তাৰ পিছত ১৪ নং পাঠ 'সংস্কৃতি আৰু আমাৰ জীৱন'ত ব্যৱহৃত হোৱা উপসৰ্গ বিচাৰি উলিয়াবলৈ দিলে। শেষত স্বৰ্গীয়াৰী ছাৰে জ্যোতি প্ৰসাদ আগৰৱালাৰ 'জননীৰ সন্তান' গীতটো একেলগে ছাত্ৰ-ছাত্ৰীসকলক গাবলৈ উৎসাহিত কৰিলে। তাত থকা দুৰ্জ্জয়, দুৰ্বল, দুৰ্নিবাৰ, নিনাদ, দুৰ্ম্মদ আদি শব্দবোৰত যে উপসৰ্গযুক্ত হৈছে ছাত্ৰ-ছাত্ৰীসকলে নিজেই উলিয়াব পাৰিলে।

এইদৰে ক্ৰিয়া-কলাপ কৰাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ উপসৰ্গ সম্বন্ধে থকা ধাৰণা স্পষ্ট হৈছিল আৰু সক্ৰিয় অংশ গ্ৰহণৰ জৰিয়তে আনন্দদায়ক পৰিৱেশৰ মাজত শিকন প্ৰক্ৰিয়া আগবাঢ়ি গৈছিল।

***বিঃ দ্ৰঃ উপেন স্বৰ্গীয়াৰী ছাৰে শ্ৰেণীকোঠাত থকা কাণেৰে কম শুনা ছাত্ৰজনক সন্মুখলৈ মাতি বিশেষভাৱে গুৰুত্ব দিছিল।***

চিন্তা কৰি চাওঁ আহক—

- ⇨ স্বৰ্গীয়ৰী ছাৰে শ্ৰেণীত কৰা ক্ৰিয়া-কলাপে ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ধূসৰতা আঁতৰ কৰিব পাৰিছেনে ?
- ⇨ ক্ৰিয়া-কলাপটো অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উপযুক্ত হৈছে নে ?
- ⇨ এই ক্ৰিয়া-কলাপটো পাঠ্যপুথিৰ বিষয়বস্তুৰ লগত বা শিকনৰ ফলাফলৰ সৈতে সম্পূৰ্ণৰূপে সংযুক্ত হ'ব পাৰিছেনে ?
- ⇨ ছাত্ৰ-ছাত্ৰীসকলক এই ধৰণৰ ক্ৰিয়া-কলাপেৰে সংশ্লিষ্ট পাঠকেইটাৰ আন অৰ্হতাসমূহ আয়ত্ত কৰোৱাৰ বাবে আমিও নতুন ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিব নোৱাৰোনে ?

**ক্ৰিয়া-কলাপ ঃ**

১২ নং পাঠ 'সুখ' কবিতাটোৰ জৰিয়তে কথন আৰু লিখনত প্ৰদত্ত জতুৱা ঠাঁচ ব্যৱহাৰ ব্যৱহাৰৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ ধাৰণা স্পষ্ট নহয়। গতিকে, কিছু ক্ৰিয়া-কলাপ সংযোগ কৰা প্ৰয়োজন।

**প্ৰস্তুতি ঃ**

⇨ ডাঙৰ এ (A) আকৃতিৰ কাগজত 'সুখ' কবিতাটো লিখি ল'ব। কবিতাটোত থকা জতুৱা ঠাঁচবোৰৰ তলত ৰঙা আঁচ টানিব।

⇨ পাঠটোত থকা জতুৱা ঠাঁচৰ এখন তালিকা কৰিব।

⇨ পাঠ্যত নথকা জতুৱা ঠাঁচৰ কেইটামান উদাহৰণৰ অৰ্থসহ তালিকা কৰিব।

ওপৰত উল্লেখ কৰা ধৰণে কথিত আৰু লিখিত ৰূপত জতুৱা ঠাঁচৰ প্ৰয়োগ সম্পৰ্কে অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ ধাৰণা স্পষ্ট কৰাৰ বাবে শিক্ষকে শ্ৰেণীকোঠাত প্ৰৱেশ কৰাৰ পূৰ্বে ওপৰত উল্লেখ কৰা তালিকা আৰু কবিতাটো লিখি প্ৰস্তুত কৰি লব।

শ্ৰেণীকোঠাত প্ৰথমে কবিতাটো সন্মুখৰ বেৰত আঁৰি দি তলত ৰঙা আঁচ টনা শব্দবোৰৰ বিশেষত্ব কি সুধিব। সেই শব্দবোৰৰ অৰ্থ সুধিব। নজনা শব্দবোৰৰ অৰ্থৰ অনুমান কৰিবলৈ ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰিব। নোৱাৰিলে শিক্ষকে অৰ্থোদ্ধাৰত সহায় কৰিব। একে ধৰণৰ তেনেকুৱা শব্দ ক'বলৈ উৎসাহিত কৰিব। তাৰ পিছত পাঠত নথকা জতুৱা ঠাঁচৰ তালিকাখন বেৰত আঁৰি দিব। ছাত্ৰ-ছাত্ৰীসকলক দলত ভাগ কৰি প্ৰতিটো জতুৱা ঠাঁচৰ আনুমানিক অৰ্থ দলগতভাৱে আলোচনা কৰি লিখিবলৈ দিব, নোৱাৰিলে শিক্ষকে পিছত অৰ্থবোৰ উলিওৱাত সহায় কৰিব। এই ধৰণৰ বক্ৰ অৰ্থ প্ৰকাশ কৰা শব্দবোৰকে যে জতুৱা ঠাঁচ বোলে সেইটো বুজাত শিক্ষকে ছাত্ৰ-ছাত্ৰীক সহায় কৰিব। জতুৱা ঠাঁচৰ ব্যৱহাৰে যে ভাষাটোৰ প্ৰকাশ শৈলী চহকী কৰে সেই বিষয়ে দুই এটা জতুৱা ঠাঁচ ব্যৱহাৰ কৰি বাক্যৰ উদাহৰণ দিব আৰু ছাত্ৰ-ছাত্ৰীসকলকো তেনে বাক্য ক'বলৈ উৎসাহিত কৰিব। প্ৰত্যেককে চাৰিটামানকৈ জতুৱা ঠাঁচৰ শব্দ দি, একোটা দফা লিখি আনিবলৈ গৃহকাৰ্য দিব। এইদৰে পাঠ্যপুথিত থকা আৰু পাঠ্যপুথিত নথকা জতুৱা ঠাঁচ ব্যৱহাৰ কৰি ইয়াৰ উচিত ব্যৱহাৰ আৰু ভাষাত ইয়াৰ স্থান আৰু গুৰুত্ব সম্পৰ্কে জানিব পাৰিব।

**সাৰাংশ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীৰ জতুৱা ঠাঁচ সম্পৰ্কীয় ধাৰণা স্পষ্ট হৈছে।

⇨ পাঠ্যপুথিৰ অন্তৰ্গত আৰু পাঠ্যপুথি বহিৰ্ভূত জতুৱা ঠাঁচৰ ব্যৱহাৰ আৰু অৰ্থৰ ধাৰণা স্পষ্ট হৈছে।

⇨ ছাত্ৰ-ছাত্ৰীয়ে নতুন নতুন জতুৱা ঠাঁচ বাক্যত অনুশীলন কৰি নিজৰ কথা-বতৰা আৰু লিখনিত ব্যৱহাৰ কৰি বাক্যৰ প্ৰকাশভংগী সৰল আৰু অৰ্থব্যঞ্জক কৰিব পাৰিছে।

**দৃঢ়ীকৰণ ঃ**

(ক) তলত দিয়া জতুৱা ঠাঁচবোৰ ব্যৱহাৰ কৰি ১০ শাৰীৰ এটা দফা প্ৰস্তুত কৰা।
আঠু ল, কাণ-সমনীয়া, কথা দে, কঁকাল পৰা, গাজত লগা।

(খ) তোমাৰ গাঁৰৰ বা চিনাকী লোকসকলে কথা-বতৰাত ব্যৱহাৰ কৰা চাৰিটাকৈ জতুৱা ঠাঁচ লিখি আনিবা।

(গ) তলৰ জতুৱা ঠাঁচবোৰ ব্যৱহাৰ কৰি অৰ্থসহ দুটাকৈ বাক্য সাজা—
নাম থ, বিধি পথালি, চকু চৰহা, পেটকুলি।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

(ক) 'সুখ' নামৰ কবিতাটিত থকা জতুৱা ঠাঁচকেইটা বিচাৰি উলিৱাই তাৰ অৰ্থ লিখা।

(খ) তলত দিয়া কথাবোৰৰ বাবে কি জতুৱা ঠাঁত ব্যৱহাৰ কৰিবা লিখা—
অনাহকত ঘূৰি ফুৰা ঃ
কথমপি ঃ
প্ৰখ্যাত হোৱা

পিছ হোঁহকা
শুৰনি
ভাতে মৰা
আয়ু শেষ হোৱা
পাবলৈ ইচ্ছা কৰা
আশা এৰা
মৰমৰ মানুহৰ মৰণ দেখা

(গ) বাক্য ৰচনা কৰা —
হাড়ত বন গজা ঃ
হাত-টান ঃ
মুখ ফালি কোৱা ঃ
মন মাৰ ঃ
গা এৰা দিয়া ঃ

**প্ৰসংগ পুথি ঃ**

⇨ পাঠ্যপুথি অংকুৰণ (অষ্টম শ্ৰেণী)
⇨ বহল ব্যাকৰণ — সত্যনাথ বৰা
⇨ চন্দ্ৰকান্ত অভিধান
⇨ প্ৰয়োগ ভাষা-বিজ্ঞানৰ ৰূপৰেখা — ড° ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা

******